পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চশিক্ষাৰ্থে কলিকতালৈ গমন কৰে। এই উচ্চশিক্ষাৰ কাৰণে প্ৰয়োজনীয় অৰ্থ সমস্যাৰ সমাধান হয় অসমৰ চিফ কমিছনাৰ এলিয়ট চাহাব প্ৰদত্ত জলপানীৰ সহায়েৰে। ১৮৮৭ চনত মেট্ৰ'পলিটান ইনষ্টিটিউটৰ পৰা ইণ্টাৰমিডিয়েট পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱাৰ পিছত ১৮৮৯ চনত স্নাতক পৰীক্ষাতো সফলতা অৰ্জন কৰে চিটি কলেজৰ পৰা। ইয়াৰ পাছত ধনৰ সমস্যাৰ বাবে কলিকতা এৰি গুৱাহাটীলৈ ঘূৰি আহিবলৈ বাধ্য হয় আৰু ইয়াৰ লগে লগে তেওঁৰ শিক্ষাজীৱনৰো অন্ত পৰে।

কলিকতাত থকা সময়ত তেওঁ তাত থকা অসমৰ ভালেমান কৃতী সন্তানৰ সংস্পৰ্শলৈ অহাৰ সুযোগ লাভ কৰে আৰু "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা"ৰ অন্যতম সদস্যৰূপে নিজকে প্ৰতিষ্ঠিত কৰে। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰমাকান্ত বৰকাকতি, ৰত্ন বৰবৰুৱা, ঘনশ্যাম বৰুৱা, গুঞ্জানন বৰুৱা, শিৱৰাম বৰদলৈ আদি অসমপ্ৰেমী ব্যক্তিসকলৰ ঘনিষ্ঠ সান্নিধ্য লাভ কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিকল্পে আত্মনিয়োগ কৰিবলৈ তেওঁ দৃঢ় সংকল্প গ্ৰহণ কৰে। ইতিমধ্যে প্ৰখ্যাত জনপ্ৰিয় ঔপন্যাসিক চাৰ ওৱাল্টাৰ স্কটৰ ইংৰাজী আৰু বংগৰ সাহিত্য সম্ৰাট বঙ্কিম চন্দ্ৰৰ বঙলা ঐতিহাসিক উপন্যাসৰাজি পাঠ কৰি অসমৰ ঐতিহাসিক পটভূমিত তেনেদৰে এলানি গ্ৰন্থ লিখিবলৈ সংকল্প গ্ৰহণ কৰে। স্বদেশ আৰু স্বজাতিৰ প্ৰতি উঠি অহা ডেকা-গাভৰুহঁতক আকৃষ্ট কৰিবৰ বাবে আৰু লগে লগে ধৰ্মীয়ভাৱেৰে তেওঁলোকক শক্তিশালী কৰিবৰ উদ্দেশ্যে বৰদলৈদেৱে নিজকে নিয়োজিত কৰে। ইয়াৰে ফলশ্ৰুতি হৈছে তেওঁৰ ঐতিহাসিক উপন্যাসৰাজি— যি অনবদ্য সৃষ্টিয়ে তেওঁক সাহিত্য জগতত অমৰ কৰি ৰাখিলে।

গুৱাহাটী ডিষ্ট্ৰিক্ট কমিছনাৰ অফিছত মাহিলি চল্লিশ টকা দৰমহাত তেওঁৰ কৰ্মজীৱনৰ সূচনা হয় ১৮৯০ চনৰ ৮ এপ্ৰিলৰ দিনাখন। কালক্ৰমে চাকৰিৰ ক্ষেত্ৰত পদোন্নতি লভি ১৯০১ চনত একষ্ট্ৰা-এচিষ্টেণ্ট কমিছনাৰ হিচাপে কৰ্ম সম্পাদন কৰি ১৯০৯ চনত নগাঁৱৰ উপায়ুক্তৰ পদত কিছুকাল অধিষ্ঠান কৰে আৰু ১৯১৮ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।



কৰ্মজীৱনৰ ব্যস্ততাৰ মাজতো তেওঁ ঘৰুৱা জীৱনত লেখা-মেলাৰ বাবে সময় নাছিল আৰু সেয়েহে সেইসময়ত সুযোগ পাইছিল, তেওঁ সাহিত্য ৰচনাৰ কামত নিজকে নিয়োজিত কৰিছিল। ১৯৪০ চনৰ ২৫ মাৰ্চ তাৰিখে বৰদলৈদেৱৰ জীৱনাৱসান হয়।

বৰদলৈদেৱে প্ৰথমতে কোনো বিশেষ প্ৰকাৰৰ সাহিত্য ৰচনাত মনোনিৱেশ কৰা নাছিল। সকলো প্ৰকাৰৰ বিষয়ৰ ওপৰতেই তেওঁৰ অনুসন্ধিৎসু মনৰ প্ৰকাশ ঘটিছিল বিভিন্ন ৰচনাত। 'চেতন প্ৰাণী আৰু উদ্ভিদৰ পাৰ্থক্য', 'ৰক্ত তাৰিৰ পাদক', 'মিৰিসকলৰ ধৰ্ম', 'শৰীৰ তত্ত্ব', 'সাবিত্ৰী-সত্যবান' (নাটক), 'জ্ঞান সপোন', 'মনোবিজ্ঞান', 'আত্ম বিচ্ছেদক থিয়েটাৰৰ দল', 'চেঙ্গাচ পিয়ল' আৰু শেষত তেওঁৰ বিখ্যাত 'ভোলাই শৰ্মা' আদি প্ৰবন্ধ আৰু গ্ৰন্থৰাজিয়ে তাৰেই স্বাক্ষৰ বহন কৰে। শেষোক্ত গ্ৰন্থখনত উদ্দেশ্যধৰ্মী হিউমাৰৰ ছবি আছে যদিও কোনো ব্যক্তিবিশেষক আঘাত দিয়াৰ বিন্দুমাত্ৰ প্ৰৱণতা চকুত নপৰে। মানুহ হিচাপে যে বৰদলৈদেৱ অতি নিকাপন্থী আছিল তেওঁৰ ৰুচিপূৰ্ণ 'হিউমাৰে' তাৰেই ইংগিত দিয়ে। 'পুৰী ভ্ৰমণ' হৈছে তেওঁৰ আন এটি নতুন ধৰণৰ ৰচনা যাৰ কাৰণে তেওঁক ভ্ৰমণ সাহিত্যৰ বাটিকটীয়া বুলি অভিহিত কৰিলেও সত্যৰ অপলাপ কৰা নহয়। বৈষ্ণৱ ধৰ্মৰ প্ৰতি তেওঁৰ অনুৰাগ আৰু শ্ৰদ্ধা সৰ্বজন বিদিত আৰু ইয়াৰ প্ৰকাশ দেখিবলৈ পোৱা যায় তেওঁৰ অসংখ্য ৰচনাৰ মাজত। তেওঁৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি ঐতিহাসিক উপন্যাসসমূহৰ পাতে পাতে সেই অনুৰাগ আৰু শ্ৰদ্ধা ভুমুকি মাৰিছে সুস্পষ্টভাৱে। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত তেওঁ 'অসম প্ৰদীপিকা' নামৰ এখনি ধৰ্মমূলক আলোচনীও প্ৰকাশ কৰিছিল। নিজৰ জীৱনৰ স্মৰণীয় ঘটনাবোৰ লিপিবদ্ধ কৰি তেওঁ এখন আত্মজীৱনীও লিখিছিল যদিও দুৰ্ভাগ্যবশতঃ সেই আত্মজীৱনী সম্পূৰ্ণভাৱে প্ৰকাশ পোৱা নাই।

ৰজনীকান্ত বৰদলৈদেৱ আছিল এজন নাট্যকাৰ, গল্পকাৰ আৰু প্ৰাবন্ধিক। কিন্তু ঔপন্যাসিক হিচাপেহে তেওঁ চিৰস্মৰণীয় হৈ আছে। বঙ্কিমচন্দ্ৰ আৰু স্কটৰ উপন্যাসৰাজিয়ে যে তেওঁক ঐতিহাসিক উপন্যাস ৰচিবলৈ উদ্বুদ্ধ কৰিছিল তাৰ স্বীকাৰোক্তি আমি পাওঁ 'দন্দুৱাদ্ৰোহ' উপন্যাসৰ পাতনিত।